# 2022

( Held in 2023 )

## ASSAMESE

Paper : ASMHC5126

## ( Introduction to Literary Trends )

*Full Marks* : 80
*Pass Marks* : 32

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। শুদ্ধ উত্তৰটো বাছি উলিওৱা : ১×৬=৬

(ক) 'সাহিত্য-বাদবৈচিত্ৰ্য' গ্ৰন্থখনৰ লিখকগৰাকী হ'ল

(i) নগেন শইকীয়া

(ii) হৰেন্দ্ৰনাথ দত্ত

(iii) বীৰেণ বৰকটকী

(iv) হৰিনাথ শৰ্ম্মাদলৈ

(খ) 'ধ্ৰুৱবাদ' শব্দটো ইংৰাজী ______ শব্দটিৰ ভাৰতীয় পৰিভাষা।

(i) ক্লাছিক

(ii) ক্লাছিকেল

(iii) ক্লাছ

(iv) ক্লাছিচিজিম্

(গ) 'ৰোমান্টিক' শব্দটো _____ শব্দটিৰ পৰা উৎপত্তি হৈছে।

(i) ৰোমানা

(ii) ৰোমাঞ্চ

(iii) ৰমন্যাস

(iv) নৱন্যাস

(ঘ) কোনে ৰোমান্টিকতাবাদক 'সাহিত্যত উদাৰতাবাদ' (Liberalism in Literature) বুলি মন্তব্য কৰিছে?

(i) চি. এইচ. হাৰ্ফৰ্ডে

(ii) এবাৰক্ৰম্বিয়ে

(iii) থিয়োডৰ ৱাটছ ডাল্টনে

(iv) ভিক্টৰ হিউগোৱে

(ঙ) বিংশ শতিকাৰ প্ৰথম দশকৰ পৰা ষষ্ঠ দশকলৈকে পশ্চিমৰ শিল্পসাহিত্যত ঘটা আন্দোলনটিৰ নাম হ'ল

(i) আধুনিকতাবাদ

(ii) প্ৰতীকবাদ

(iii) বাস্তৱবাদ

(iv) অভিব্যক্তিবাদ

(চ) ৱৰ্ডছ্ৱৰ্থৰ 'লিৰিকেল বেলাডছ্' গ্ৰন্থখন কিমান চনত প্ৰকাশ হৈছিল?

(i) ১৭৮৯

(ii) ১৭৯৮

(iii) ১৮৯৭

(iv) ১৮৯৮





২। চমুকৈ উত্তৰ লিখা : ২×৫=১০

(ক) 'ধ্ৰুৱ' শব্দটোৰ মূল কি? ই কিহৰ ইংগিত বহন কৰে?

(খ) কেতিয়াৰ পৰা 'ক্লাছিকেল' শব্দটোৰ ব্যৱহাৰ হ'বলৈ আৰম্ভ কৰে? ভাৰতবৰ্ষত এই শব্দটোৰ ব্যৱহাৰ কেতিয়াৰ পৰা হয়?

(গ) ইংৰাজী সাহিত্যৰ ইতিহাসৰ দুটা যুগৰ নাম উল্লেখ কৰা।

(ঘ) প্ৰতীকবাদ কি?

(ঙ) বাস্তৱবাদৰ ঘাই লক্ষ্য কি কি?

৩। তলৰ যি কোনো ছয়টা প্ৰশ্নৰ উত্তৰ লিখা : ৫×৬=৩০

(ক) ভাৰতীয় ধ্ৰুপদী শিল্পী-সাহিত্যিকৰ দায়বদ্ধতাৰ বিষয়ে চমুকৈ লিখা।

(খ) 'অস্তিত্ববাদ'ৰ চাৰিটা বৈশিষ্ট্য লিখা।

(গ) সত্যেন্দ্ৰনাথ শৰ্মাৰ মত অনুসৰি ৰোমান্টিক সাহিত্যৰ প্ৰধান লক্ষণসমূহ উল্লেখ কৰা।

(ঘ) ক্লাছিচিজিম্ আৰু ৰোমান্টিচিজিম্‌ৰ মাজৰ প্ৰভেদসমূহ দাঙি ধৰা।

(ঙ) আধুনিক ইংৰাজীত 'ৰোমান্টিক' শব্দটোৰ ব্যৱহাৰ সম্পৰ্কে এটি টোকা লিখা।

(চ) আৰভিং হাৱে (Irving Howe) নিৰ্দেশ কৰা আধুনিক যুগৰ লক্ষণভিত্তিক স্তৰ তিনিটাৰ বিষয়ে লিখা।

(ছ) সাহিত্যত ব্যৱহৃত প্ৰতীকৰ বিষয়ে চমুকৈ লিখা।

(জ) আধুনিক অসমীয়া কবিতাত মুক্তক ছন্দ সম্পৰ্কে লিখা।

(ঝ) উত্তৰ-আধুনিকতাবাদৰ বিষয়ে চমুকৈ লিখা।

৪। তলৰ যি কোনো দুটা প্ৰশ্নৰ উত্তৰ লিখা : ১০×২=২০

(ক) বিভিন্ন সমালোচকে আগবঢ়োৱা ৰোমাণ্টিচিজিম্‌ৰ সংজ্ঞা সম্পৰ্কে এটি প্ৰবন্ধ যুগুত কৰা।

(খ) আধুনিকতাবাদ বুলিলে কি বুজা? আধুনিক অসমীয়া কবিতা সম্পৰ্কে এটি চমু আলোচনা আগবঢ়োৱা। ৫+৫=১০

(গ) বাস্তৱবাদ কি? ইয়াৰ বিষয়ে এটি আলোচনা আগবঢ়োৱা।

৫। তলৰ যি কোনো এটা প্ৰশ্নৰ উত্তৰ লিখা : ১৪

(ক) অভিব্যক্তিবাদৰ মূল কথা কি? অভিব্যক্তিবাদীসকলৰ শিল্পীসত্তাৰ পৰিচয় দিয়া। ৪+১০=১৪

(খ) মহাকাব্যিক সাহিত্য বুলিলে কি বুজা? মহাকাব্যৰ বৈশিষ্ট্যসমূহ চমুকৈ আলোচনা কৰা। ৪+১০=১৪

★★★